**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-02-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***::::::::::::::::::::::::::::::::::::::::::***

১। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি কয়, যে ভাৰতবৰ্ষলৈ সহজসাধ্য স্বাস্থ্য ভ্ৰমণৰ গোলকীয় গন্তব্যস্থান ৰূপে গঢ়ি তুলিবৰ বাবে চৰকাৰে নিৰন্তৰভাৱে চেষ্টা চলাই আহিছে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে আজি **প্ৰহাৰ** শীৰ্ষক দেশৰ নতুন ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ বিৰোধী নীতি আৰু কৌশল মুকলি কৰে।

৩। কিংবদন্তি পুৰুষ প্ৰথমজন ভাৰতীয় গৰ্ণৰ জেনেৰেল চক্ৰৱৰ্তী ৰাজা গোপালাচাৰীৰ জীৱন আৰু কৰ্মৰাজি উদযাপন কৰাৰ দিহা কৰি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ৰাজাজী উৎসৱৰ আয়োজন কৰা হৈছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাফ্‌টা চলচ্চিত্ৰ উৎসৱত শিশু আৰু পাৰিবাৰিক ছবিৰ শিতানত শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰা মণিপুৰী ছবি বুঙৰ সমূহ কলা-কুশলীলৈ অভিনন্দন জ্ঞাপন কৰিছে। ***আৰু***

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ চুপাৰ এইট পৰ্যায়ৰ এখন খেলত জিম্বাব'ৱে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই আজি কয়, যে ভাৰতবৰ্ষলৈ সহজসাধ্য স্বাস্থ্য ভ্ৰমণৰ গোলকীয় গন্তব্যস্থান ৰূপে গঢ়ি তুলিবৰ বাবে চৰকাৰে নিৰন্তৰভাৱে চেষ্টা চলাই আহিছে। নতুন দিল্লীত অনুষ্ঠিত অষ্টম এডভাণ্টেজ হেল্‌থ কেয়াৰ ইণ্ডিয়ালৈ পঠোৱা এটা ভিডিঅ' বাৰ্তাত মন্ত্ৰীজনে কয়, যে স্বাস্থ্যসেৱা ভ্ৰমণক ভাৰত আৰু আন আন দেশৰ নাগৰিকসকলৰ মাজত বিশ্বাসযোগ্য সহযোগিতা আৰু সুদৃঢ় সম্পৰ্ক গঢ় দিয়াৰ সুযোগ হিচাপে গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। স্বাস্থ্য সেৱাৰ বিভিন্ন দিশ হৃদৰোগ বিজ্ঞান, কৰ্কট বিজ্ঞান, অংগ সংৰোপণ আৰু স্নায়ু বিজ্ঞানকে সামৰি বিভিন্ন ধৰণৰ স্বাস্থ্য খণ্ডত বৰ্তমান ভাৰতে উচ্চ কৌশলগত চিকিৎসা কৰ্মী আৰু আধুনিক স্বাস্থ্য সেৱা আন্তঃগাথনি থকাৰ কথাও মন্ত্ৰীজনে উল্লেখ কৰে। তেওঁ কয়, যে এই সুবিধাসমূহে দেশৰ নাগৰিকসকলক স্বাস্থ্য সেৱা খণ্ডত উন্নত সেৱা গ্ৰহণ কৰাৰ সুযোগ প্ৰদান কৰিছে আৰু লগতে বিদেশী বহুকেইখন ৰাষ্ট্ৰৰ সৈতেও উৎকৃষ্টমানৰ চিকিৎসা প্ৰদান কৰাৰ দিহা কৰিব পৰা গৈছে। ৰাজ্যিক স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে কয়, যে ভাৰতৰ বৰ্তমানৰ স্বাস্থ্য সেৱাৰ পৰিবেশতন্ত্ৰ আকৰ্ষণীয় আৰু সংহত ৰূপত বিকশিত হৈ উঠিছে। তেওঁ লগতে চিকিৎসা সংক্ৰান্তীয়, শক্তিশালী ৰূপত গঢ় লৈ উঠা ফাৰ্মাচীৰ সুবিধা, ডিজিটেল স্বাস্থ্য সেৱাৰ উদ্ভাৱনে সমগ্ৰ পৃথিৱীক সামৰি লবলৈ সমৰ্থ হৈছে বুলিও জানিবলৈ দিয়ে।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে আজি **প্ৰহাৰ** শীৰ্ষক দেশৰ নতুন ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ বিৰোধী নীতি আৰু কৌশল মুকলি কৰে। এই নতুন কৌশলৰ জৰিয়তে আমাৰ দেশত বাঢ়ি অহা সন্ত্ৰাসবাদী কাৰ্যকলাপসমূহৰ সন্মুখীন হ'বলৈ সামগ্ৰিক আন্তঃগাথনিৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ লগতে এনে যিকোনো ধৰণৰ প্ৰত্যাহ্বানক মযিমূৰ কৰিব পৰাকৈ সাজু হোৱাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা হৈছে।

বৰ্তমান সময়ত সন্ত্ৰাসবাদী কাৰ্যকলাপবোৰৰ পৰিৱৰ্তিত ৰূপ আৰু নতুন প্ৰত্যাহ্বানসমূহৰ কথা উল্লেখ কৰি মন্ত্ৰালয়ে প্ৰকাশ কৰে যে সন্ত্ৰাসবাদক সকলো ৰূপ আৰু সকলো ধৰণতে প্ৰতিহত কৰাত  আমাৰ দেশ বদ্ধপৰিকৰ। আমাৰ দেশে সদায়েই সন্ত্ৰাসবাদৰ কবলত  পৰা ভুক্তভোগীসকলৰ পক্ষত থিয় দি আহিছে বুলি উল্লেখ কৰি মন্ত্ৰালয়ে পৃথিৱীৰ কতোৱেই হিংসাৰ পক্ষত কোনো ধৰণৰ যুক্তিযুক্ততা নাখাটে বুলি থকা আমাৰ দেশৰ দৃঢ়বিশ্বাসৰ কথা দোহাৰে।

০০০০০

কিংবদন্তি পুৰুষ প্ৰথমজন ভাৰতীয় গৱৰ্ণৰ জেনেৰেল চক্ৰৱৰ্তী ৰাজা গোপালাচাৰীৰ জীৱন আৰু কৰ্মৰাজি উদযাপন কৰাৰ দিহা কৰি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ৰাজাজী উৎসৱৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি স্বাধীন ভাৰতৰ প্ৰথমগৰাকী ভাৰতীয় গবৰ্নৰ জেনেৰেল চি ৰাজা গোপালচাৰীৰ প্ৰতিমূৰ্তি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন প্ৰাংগণত মুকলি কৰে। ৰাষ্ট্ৰপতি ভৱনৰ অশোক মণ্ডপৰ মুকলি ঠাইত থকা ব্ৰিটিছ স্থপতিবিদ এডৱিন লিউটিয়েনছৰ প্ৰতিমূৰ্তিটো আঁতৰাই ভাৰতীয় গবৰ্নৰ জেনেৰেল চি ৰাজা গোপালচাৰীৰ প্ৰতিমূৰ্তিটো স্থাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে ঔপনিৱেশিক চিন্তাধাৰাৰ সলনি ভাৰতৰ গৌৰৱোজ্জ্বল সংস্কৃতি, ঐতিহ্য আৰু পৰম্পৰাক তুলি ধৰি দেশৰ প্ৰতি অতুলনীয় অৱদান আগবঢ়োৱাসকলক স্মৰণ কৰাৰ উদ্দেশ্যে এনে পদক্ষেপ গ্ৰহণ কৰা হৈছে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, কেন্দ্ৰীয় মন্ত্ৰী জগত প্ৰকাশ নাড্ডা, ডঃ এছ জয়শংকৰ, ধৰ্মেন্দ্ৰ প্ৰধান, গজেন্দ্ৰ সিং শেখাৱট, ডঃ এল মুৰাগান আৰু চক্ৰৱৰ্তী ৰাজাগোপালাচাৰী পৰিয়ালৰ সদস্যসকল উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজাজী উৎসৱৰ সৈতে সংগতি ৰাখি কাইলৈৰ পৰা ১ মাৰ্চলৈ চি ৰাজাগোপালচাৰীৰ বিষয়ক এখন প্ৰদৰ্শনীও আয়োজন কৰা হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে চক্ৰৱৰ্তী ৰাজা গোপালাচাৰীয়ে ভাৰতবৰ্ষৰ বুৰঞ্জীৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা ভূমিকাক কাহানিও নুই কৰিব নোৱাৰিব। তেওঁ লগতে গৱৰ্ণৰ জেনেৰেলজনৰ  আদৰ্শ মানি দেশৰ প্ৰতিজন নাগৰিকে নিজৰ কৰ্তব্য সম্পাদন কৰিব পৰাটোৱে হৈছে তেওঁলৈ আগবঢ়োৱা প্ৰকৃত শ্ৰদ্ধাঞ্জলি। ৰাজাজীৰ জীৱন আৰু কৰ্মৰাজিৰে উদ্বুদ্ধ হৈ দেশক প্ৰাথমিকতা দি আগবাঢ়ি যাবলৈ নাগৰিকসকলে উৎসাহ লাভ কৰিব পাৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ভাষণ প্ৰসংগত কয়, যে বৃটিছৰাজৰ পৰা মুক্ত হৈ বৰ্তমানৰ সময়ছোৱালৈকে ভাৰতৰ এই ৰূপান্তৰণৰ প্ৰক্ৰিয়াত শাসন ব্যৱস্থা, আইন, শিক্ষা, সংস্কৃতি আৰু দেশৰ পৰিচয় এই সকলোবোৰ অন্তৰ্ভুক্ত হৈ আছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গোলামী কি মানসিকতা চে আজাদীৰ দৃষ্টিভংগীক বিভিন্ন পদক্ষেপৰ জৰিয়তে আগবঢ়াই নিবলৈ চেষ্টা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লণ্ডনত অনুষ্ঠিত ৭৯ সংখ্যক ব্ৰিটিছ একাডেমী চলচ্চিত্ৰ বঁটা - বাফ্‌টাত শ্ৰেষ্ঠ শিশু আৰু পাৰিবাৰিক ছবিৰ শিতানত শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰা মণিপুৰী ভাষাৰ হাস্যব্যঙ্গ ছবি বুঙৰ সৈতে জড়িত সমূহ

কলা-কুশলীলৈ অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত এয়া মণিপুৰৰ বাবে অত্যন্ত আনন্দদায়ক সময় বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে এই বঁটাই সৃষ্টিশীল প্ৰতিভাৰ ক্ষেত্ৰত আমাৰ দেশৰ সমৃদ্ধতাকে সোঁৰৰাই দিছে। উল্লেখযোগ্য যে ভাৰতীয় চিনেমা, বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ছবিৰ বাবে এই সন্মান গুৰুত্বপূৰ্ণ মাইলৰ খুটি হিচাপে বিবেচিত হৈছে। ফাৰহান আখটাৰৰ এক্সেল এণ্টাৰটেইনমেণ্টৰ প্ৰযোজিত বুং হৈছে লক্ষ্মীপ্ৰিয়া দেৱীৰ পৰিচালনাৰ প্ৰথমখন ছবি। শিশু অভিনেতা গুগুন কিপজেন আৰু বালা হিজামে অভিনয় কৰা এই মণিপুৰী ছবিখনে কেইবাখনো আন্তঃৰাষ্ট্ৰীয় ছবিক পাছ পেলাই এই বঁটা লাভ কৰে। বুং শব্দৰ অৰ্থ হৈছে মণিপুৰী ভাষাত সৰু ল'ৰা। ছবিখনত সামাজিক আৰু ৰাজনৈতিকভাৱে অস্থিৰ পৰিস্থিতিত এটা সৰু ল'ৰাৰ কাহিনীক চিত্ৰায়ন কৰা হৈছে। এক্সন থ্ৰিলাৰ ৱান বেটল আফ্‌টাৰ এনাডাৰে শ্ৰেষ্ঠ ছবিকে ধৰি ছটা বঁটা লাভ কৰিছে। পল থমাছ এণ্ডাৰছনে এই ছবিখনৰ বাবে শ্ৰেষ্ঠ নিৰ্দেশকৰ বঁটা লাভ কৰে। তেওঁ লগতে শ্ৰেষ্ঠ এডপ্টেড স্ক্ৰীনপ্লে আৰু শ্ৰেষ্ঠ চিন'মেটগ্ৰাফীৰ বঁটাও লাভ কৰে। ভেম্পায়াৰৰ বিষয় লৈ নিৰ্মিত ছবি **চিনাৰ্ছ আৰু গথিক হ'ৰৰ ফ্ৰেঙ্কেষ্টাইনে** তিনিটাকৈ বঁটা লাভ কৰে।

০০০০০

ভাৰতত ইজৰাইৰ ৰাষ্ট্ৰদূত ৰিউবেন আজাৰে এইটো সপ্তাহতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নিজৰ দেশত আদৰণি জনাবলৈ ইজৰাইল যথেষ্ট উৎফুল্লিত হৈ আছে বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰদূতজনে কয়, যে শ্ৰীমোদীৰ এই ভ্ৰমণে দুয়োখন ৰাষ্ট্ৰৰ মাজত থকা সম্পৰ্কক আগুৱাই লৈ যাব। তেওঁ লগতে কয় যে ভাৰত আৰু ইজৰাইল যেতিয়াই একত্ৰিত হৈছে তেতিয়া ই কেৱল এখন বৈঠকেই হৈ থকা নাই, বৰং বিশ্বাসৰ ভিত্তিত গঢ়ি উঠা আৰু উদ্ভাৱনে সৰল কৰা এটা শক্তিশালী অংশীদাৰিত্বত পৰিণত হৈছে। দুয়োখন ৰাষ্ট্ৰই মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰৰ দিশে আগবঢ়া বুলি উল্লেখ কৰি ৰাষ্ট্ৰদূতগৰাকীয়ে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণকালতে প্ৰতিৰক্ষা চুক্তিসমূহৰ উন্নীতকৰণৰ জৰিয়তে ভাৰত আৰু ইজৰাইলে প্ৰতিৰক্ষা অংশীদাৰিত্বক অধিক শক্তিশালী কৰিব বুলি লগতে প্ৰকাশ কৰে।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে আয়োজন কৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলা আজি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে, সমগ্ৰ দেশতে ১০ কোটি মহিলা আত্ম-সহায়ক গোটৰ সৈতে জড়িত হৈ আছে। অনুষ্ঠানত বিভাগীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কয়, যে ২০২১ চনৰ ছাৰছ মেলাত ৪ কোটি ১৮ লাখ টকাৰ সামগ্ৰী বিক্ৰী হৈছিল। আজিৰ অনুষ্ঠানত সাংসদ বিজুলী কলিতা মেধি, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, অতুল বৰা, ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, কালিৰে পৰা অনুষ্ঠিত এই মেলাত গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা শিল্পীসকলে নিৰ্মাণ কৰা সামগ্ৰী প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। এই মেলাত বিভিন্ন ৰাজ্যৰ ২৫০খনৰো অধিক বিপণীয়ে অংশ লৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উপৰি মহাৰাষ্ট্ৰ, ছত্তিশগড়, গোৱা, ঝাৰখণ্ড, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পঞ্জাৱ, হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্যৰ হস্তশিল্প আৰু হস্ততাঁত সামগ্ৰী এই বিপণীসমূহত প্ৰদৰ্শন কৰা হৈছে। অহা ৮ মাৰ্চত এই মেলাৰ সামৰণি পৰিব।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ চুপাৰ এইট পৰ্যায়ৰ এখন খেলত আজি জিম্বাব'ৱে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি জিম্বাব'ৱেই প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে। ৱেষ্ট ইণ্ডিজে  বাতৰি যুগুতোৱাৰ পৰলৈকে ২ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৭ ৰান সংগ্ৰহ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ